**লেখকৰ পৰিচয়** **(Author's Details)**

প্ৰণৱ বৰা এগৰাকী অভিজ্ঞ চৰকাৰী বিষয়া, যি বিগত ১৫ বছৰ ধৰি অসম চৰকাৰৰ অধীনত শিশু উন্নয়ন প্ৰকল্প বিষয়া (CDPO) হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে। তেওঁ B.A. LL.B. ডিগ্ৰীধাৰী হোৱাৰ লগতে শিশু মনোবিজ্ঞান (Child Psychology) আৰু শিশুৰ যত্ন তথা পুষ্টি (Childcare and Nutrition) বিষয়ত বিশেষ অৰ্হতা প্ৰাপ্ত।

সমাজ কল্যাণৰ ক্ষেত্ৰত তেওঁৰ উদ্ভাৱনীমূলক কামৰ বাবে তেওঁ ইতিমধ্যে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি লাভ কৰিছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল– অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ দ্বাৰা স্বীকৃত 'পোষণ পাকঘৰ' (২০২১) আৰু 'পোষণ ভোগ' (২০২৩), তথা স্কোচ (Skoch) বঁটাৰ দ্বাৰা সন্মানিত 'মিছন জিৰো ছেম' (২০২২), 'পোষণ শিবিৰ' (২০২৪) । তেওঁৰ এই বিশাল অভিজ্ঞতাৰ পোহৰত লিখা 'অংকুৰণ' গ্ৰন্থখনে প্ৰতিগৰাকী অভিভাৱকক এক নতুন দিশ প্ৰদান কৰিব

'অংকুৰণ' হৈছে অভিভাৱকত্ব বা 'পেৰেণ্টিং এডুকেচন'ৰ ওপৰত আধাৰিত এখন সময়োপযোগী হাতপুথি। শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশৰ যাত্ৰাটো কেনেকৈ সহজ আৰু অৰ্থপূৰ্ণ কৰি তুলিব পাৰি, তাৰ এক বৈজ্ঞানিক তথা ব্যৱহাৰিক দিশ ইয়াত আলোচনা কৰা হৈছে। শিশুৰ একাগ্ৰতা বৃদ্ধি কৰাৰ পৰা আৰম্ভ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভাক বিকশিত কৰালৈকে—সকলোবোৰ বিষয় লেখকৰ পেচাগত অভিজ্ঞতাৰ পোহৰত সহজভাৱে উপস্থাপন কৰা হৈছে। এই গ্ৰন্থখনে প্ৰতিগৰাকী পিতৃ-মাতৃক নিজৰ সন্তানক বুজি উঠাত আৰু এক সুন্দৰ ভৱিষ্যত গঢ়াত পথ প্ৰদৰ্শকৰ দৰে সহায় কৰিব।